North Eastern Council
Government of India

নৰ্থ ইষ্টাৰ্ণ কাউন্সিল (NEC),
উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়ন মন্ত্ৰালয়,
ভাৰত চৰকাৰ

# 3D মেডিকেল ইমেজ নিৰ্মাণৰ বাবে মোবাইল AI সমৰ্থিত প্লেটফৰ্ম



শৈল চিকিৎসাৰ পৰিকল্পনাৰ বাবে প্ৰযুক্তিগত সীমাবদ্ধতাসমূহ শৈল চিকিৎসকসকলৰ বাবে এক প্ৰত্যাহ্বান।

2D স্কেন প্ৰতিবেদনসমূহত গভীৰতা সম্পৰ্কীয় ধাৰণাৰ অভাৱে অসম্পূৰ্ণ তথ্য আৰু জটিল ছবিৰ চাক্ষুষ দৰ্শনত অসুবিধাৰ সৃষ্টি কৰে।

শুদ্ধ সিদ্ধান্ত গ্ৰহণ আৰু চিকিৎসা পৰিকল্পনা কৰিবলৈ সম্পূৰ্ণ তথ্য পোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ চিকিৎসা ।

ৰোগৰ ভুল চিনাক্তকৰণ বা অসম্পূৰ্ণ চিনাক্তকৰণে আৰোগ্য লাভৰ প্ৰক্ৰিয়াত বাধা দিব পাৰে আৰু সমস্যা অধিক বেয়ালৈ ঢাল খুৱাব পাৰে।

## স্তৰ 1




ইয়ুজাৰ আইডি আৰু পাছৱৰ্ডৰ সৈতে চাইন ইন কৰক

## স্তৰ 2




'ৰোগীৰ তালিকা' ক্লিক কৰক

## স্তৰ 3




ৰোগীৰ সবিশেষ জানিবলৈ ভিউ ডিটেইল'ত ক্লিক কৰক

## স্তৰ 4






স্কেন ৰিপৰ্ট পাবলৈ ক্লিক কৰক

3D ইমেজ চাবলৈ ক্লিক কৰক

স্কেন ইমেজৰ বাবে ক্লিক কৰক






AMTRON

Design Innovation Centre
Panjab University

भारत दूरसंचार
INDIA TELECOM

Telecom Sector Skill Council




# ফলাফল – উত্তৰ পূৱৰ SDG 2030 ৰ লক্ষ্যসমূহ

| ক্ৰ.নং | পেৰামিটাৰ | প্ৰভাৱ |
|---|---|---|
| 1. | SDG 3-সু স্বাস্থ্য আৰু কল্যাণ | ✓ চিকিৎসাব্যয় হ্ৰাস।<br>✓ চিনাক্তকৰণ পৰীক্ষাৰ বাবে অন্য চহৰ/ৰাজ্যলৈ গৈ বিশেষকৈ ভ্ৰমণ আৰু থকাৰ খৰছ ৰোধ কৰা।<br>✓ ভিতৰুৱা অঞ্চলত সামূহিক স্বাস্থ্য পৰীক্ষাৰ মান উন্নত কৰা।<br>✓ ঘৰত একাধিক ৰোগ থকা বয়োজ্যেষ্ঠ্যলোকৰ দীৰ্ঘকালীন শুশ্ৰূষা।<br>✓ ডাক্তৰ/ মেডিকেল টেকনিচিয়ান/ ব্যয়বহুল সাঁ- সৰঞ্জামৰ সীমিত উপলব্ধ তাৰ বাবে সৃষ্টি হোৱা চিকিৎসাৰ বাধাসমূহ অতিক্ৰম কৰিবলৈ সহায় কৰে। |
| 2. | SDG 4- মানসম্পন্ন শিক্ষা | ✓ নেক্সট জেনেৰেচন টেলিকম ইক’চিষ্টেমত স্ব নিয়োজন/চাকৰিৰ সুযোগ ইত্যাদিৰ বাবে উত্তৰ পূৱৰ যুৱসকলক প্ৰশিক্ষণ দিয়া।<br>✓ স্বাস্থ্যসেৱা/শিক্ষানুষ্ঠানসমূহে AR/VR/MR ইত্যাদিৰ দৰে ইমাৰ্ছিভ শিক্ষণ সজুঁলিৰ ব্যৱহাৰ সক্ষম কৰি শিক্ষণৰ উন্নত মান নিশ্চিত কৰা।<br>✓ এক বৰ্ধিত জ্ঞান অৰ্থনীতিত জ্ঞান ঢুকি পাবলৈ থকা বাধা দূৰীকৰণৰ বাবে MOOC ক’ৰ্ছসমূহ। |
| 3. | SDG 5- লিংগ সমতা | মহিলাৰ বাবে নতুন অৰ্থনৈতিক সুযোগ সৃষ্টি কৰা (সামূহিক স্বাস্থ্যসেৱা/কৃষি/হস্ততাঁত আৰু হস্তশিল্পৰ ওপৰত বিশেষ গুৰুত্ব) *GSMA ৰ প্ৰতিবেদন [গ্ল’ৰেল চিষ্টেম ফ’ৰ মোবাইল কমিউনিকেচনচ] ৰ মতে মোবাইল মালিকীস্বত্ব (14%) আৰু মোবাইল ইন্টাৰনেট ব্যৱহাৰ (41%)ৰ ক্ষেত্ৰত এক বৃহৎ লিংগ ব্যৱধান আছে য’ত মহিলাসকলৰ মাজত মোবাইল ইন্টাৰনেট গ্ৰহণ আৰু ব্যৱহাৰৰ বাবে থকা মুখ্য বাধাসমূহৰ ভিতৰত সজাগতা আৰু ডিজিটেল শিক্ষাৰ অভাৱ অন্যতম। |
| 4. | SDG 9 - উদ্যোগ, উদ্ভাৱন শীলতা আৰু আন্তঃগাঁঠনি | ✓ নেক্সট জেনেৰেচন প্ৰডাক্ট যেনে IoT সঁজুলিৰ নিৰ্মাণ,মেৰামতি, আৰু পুণঃব্যৱহাৰৰ বাবে SME ইক’চিষ্টেম ।<br>✓ স্থানীয় যুৱকসকলৰ উদ্ভাৱনশীলতাৰ বাবে 5G গৱেষণাগাৰবোৰ ব্যৱহাৰ কৰিব পৰা যায় । |
| 5. | SDG12-দায়িত্বশীল সেৱন আৰু উৎপাদন | ✓ ই উপাদানসমূহৰ পুণঃব্যৱহাৰত উৎসাহ দিয়া।<br>✓ যিহেতু আগৰ প্ৰজন্মৰ সঁজুলিসমূহতকৈ 5G সঁজুলিসমূহে কম শক্তি খৰচ কৰে সেয়ে ই GHG (গ্ৰীণ হাউচ গেচ নিৰ্গমন) হ্ৰাস কৰে। |